**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

লোকসভাত আজি মহিলা সংৰক্ষণ আইন সম্পৰ্কীয় সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, গৃহীত নহ'ল। বিধেয়কখনৰ ওপৰত ভোট বিভাজনৰ সময়ত ২৯৮ টা সপক্ষে আৰু ২৩০ টা বিপক্ষে ভোটদান হয়। বিধেয়কখন গৃহীত হোৱাৰ বাবে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্থাৎ ৩২৬টা ভোটৰ প্ৰয়োজন আছিল। চৰকাৰে এই বিধেয়কখনৰ সৈতে সমষ্টি পুনৰনিৰ্ধাৰণ বিধেয়ক ২০২৬ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬-ও সদনত উত্থাপন কৰিছিল। কিন্তু এতিয়া এই বিধেয়ক দুখনো গৃহীত কৰিব পৰা নাযাব। ইয়াৰ পূৰ্বে এই বিধেয়ককেইখনৰ ওপৰত দুদিন ধৰি বিতৰ্ক হয়। গৃহমন্ত্ৰী অমিত শ্বাহে বিৰোধী দলসমূহক লোকসভা আৰু বিধানসভাত মহিলা সংৰক্ষণৰ লগতে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ আসনৰ সংখ্যা বৃদ্ধিৰ বিৰোধী বুলি অভিযোগ কৰে। তেওঁ কয় যে এই বিধেয়কসমূহৰ উদ্দেশ্য হৈছে ২০২৯ৰ লোকসভা নিৰ্বাচন যাতে মহিলা সংৰক্ষণৰ সৈতে অনুষ্ঠিত হয়। শ্ৰীশ্বাহে কয় যে ইণ্ডি মিত্ৰজোঁটৰ সকলো সদস্যই মহিলা সংৰক্ষণৰ স্পষ্টভাৱে বিৰোধিতা কৰিছে। বিৰোধীয়ে বিধেয়কখনৰ সপক্ষত ভোট প্ৰদান নকৰিলে গৃহীত নহ'ব আৰু এই বিষয়ত দেশৰ মহিলাসকলে দৃষ্টি নিৰন্ধ ৰাখিছে।

আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয়, যে নাৰী শক্তি বন্দন অধিনিয়ম মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়ক নহয় আৰু নাৰী সৰলীকৰণৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। সংসদত এই বিধেয়ক তিনিখন উত্থাপন কৰি নিৰ্বাচনী মানচিত্ৰ সলনি কৰাৰ প্ৰয়াস কৰা হৈছে বুলি তেওঁ দাবী কৰে। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অধিনিয়মৰ বিৰোধিতা কৰাসকলক জনতাই কেতিয়াও ক্ষমা নকৰে বুলি মন্তব্য কৰে।

০০০০

বিশেষ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানী অব্যাহত আছে। গোচৰটো কি কি ধাৰাৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলিব সেই লৈ আজিৰে পৰা চৰকাৰী পক্ষৰ যুক্তি প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। মহাধিবক্তা দেৱজিৎ শইকীয়াই আজি আদালতত চৰকাৰী পক্ষৰ হৈ যুক্তি প্ৰদৰ্শন কৰে। ৰাজ্যৰ প্ৰচিকিউশ্যন সঞ্চালক মাখন ফুকনো আদালতত শুনানীৰ সময়ত উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মহাধিবক্তা দেৱজিৎ শইকীয়াই কয় যে ৰাজ্য চৰকাৰে সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে।

(বাইট - দেবজিৎ শইকীয়া)

উল্লেখযোগ্য যে ইতিপূৰ্বে গোচৰটোৰ চাৰ্জ ফ্ৰেম সন্দৰ্ভত অভিযুক্ত পক্ষৰ অধিবক্তাৰ যুক্তি প্ৰদান প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। প্ৰায় এপষেক ধৰি ৭ অভিযুক্তৰ অধিবক্তাই আদালতত যুক্তি দৰ্শাইছিল। ইফালে জুবিন গাৰ্গৰ

মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ মালিকানাধীন **মহাবীৰ একুৱা** নামৰ পানীৰ ফেক্টৰীৰ ব্যৱসায় পুনৰ আৰম্ভ কৰাক লৈ দাখিল কৰা এখন আবেদনৰ শুনানীও আজি ফাষ্টট্ৰেক আদালতে গ্ৰহণ কৰে। ২৯ এপ্ৰিলত আদালতে এই গোচৰটোৰ ৰায়দান কৰিব।

০০০০

চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাটাত জিলাখনৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰাৰ অভিযোগত কালি বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কেইবাজনো লোকক আটক কৰি অনা ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আজি পুৱা আটকাধীন লোকসকলক মোকলাই দিয়াৰ দাবীৰে একাংশ লোক বন বিভাগৰ কাৰ্যালয়ত সমাবেত হৈছিল। পৰৱৰ্তী সময়ত স্থানীয় লোকসকলে কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি বন বিভাগৰ লোকে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোতে কেইবাগৰাকীও প্ৰতিবাদকাৰী মহিলা আহত হয়। ইয়াৰ পাছতে প্ৰতিবাদকাৰীসকল অধিক উত্তেজিত হৈ পৰে। পৰৱৰ্তী সময়ত উত্তেজিত জনতাই কাৰ্যালয়ৰ চৰকাৰী বাহনৰ লগতে কৰ্মচাৰীৰ ব্যক্তিগত বাহনতো অগ্নি সংযোগ কৰে। প্ৰতিবাদকাৰীসকল ইয়াতেই ক্ষান্ত নাথাকি ১২৭ নং ভাৰত-ভূটান সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে উক্ত স্থানত অতিৰিক্ত আৰক্ষী বাহিনী মোতায়ন কৰা হয়। পৰৱৰ্তী সময়ত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰিব লগা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণত আছে। আইন-শৃংখলা পৰিস্থিতি যাতে অধিক অৱনতি নহয় তাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এক নিৰ্দেশযোগে দুয়োখন জিলাৰ ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ নিৰ্দেশ জাৰি কৰিছে।

০০০০

চলিত বৰ্ষৰ হজযাত্ৰা কাইলৈ আৰম্ভ হ'ব বুলি কালি উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে ঘোষণা কৰিছে। অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী হজযাত্ৰী এই যাত্ৰাৰ বাবে ৰাওনা হ'ব। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা হজযাত্ৰী আছে। উত্তৰ-পূব হজযাত্ৰী অভ্যৰ্থনা সমিতিৰ সভাপতি নেকিবুৰ জামানে গুৱাহাটীত আয়োজিত এখন সংবাদমেলত কয় যে কাইলৈৰ পৰা ২১ এপ্ৰিললৈ পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব।

০০০০

ঃঃ সমাপ্ত ঃঃ